# ফঁটা ওঠ আৰু ফটা তালু



ফঁটা ওঠ

**ফঁটা ওঠ -**
ওপৰৰ ওঁঠটি দুটা ভাগত ভাগ হৈ থাকে।

**ফঁটা তালু -**
মুখৰ ভিতৰৰ ওপৰৰ অংশ অৰ্থাৎ "তালু" ভাগ খোলা বা বিভক্ত অৱস্থাত থাকে।

**আপুনি লক্ষ্য কৰিব লাগিব -**

- নাকেৰে খাদ্য আৰু পানী ওলাই আহে নেকি।
- পি খোৱা বা সোঁহা মাৰি খোৱাত অসুবিধা হয় নেকি।
- কথা কওঁতে শব্দবোৰ নাকেৰে ওলোৱা যেন লাগে নেকি।

যদি তেনেকুৱা কোনো বিসংগতি ধৰা পাৰে তেন্তে ঃ

- নিকটবৰ্তী জিলা চিকিৎসালয়/ৰেফাৰেল কেন্দ্ৰলৈ পঠিয়াই দিয়ক।



ফঁটা তালু

## মূল বাৰ্তা

- সময়মতে অ'ষ্ট্ৰোপ'চাৰ কৰি ফঁটা ওঠ আৰু ফটা তালু ভাল কৰিব পৰা যায়।
- ফঁটা ওঁঠ যোৰা লগাবলৈ জন্মৰ ২-৩ মাহৰ ভিতৰত অ'ষ্ট্ৰোপ'চাৰ কৰিব পৰা যায়।
- ফঁটা তালুৰ অ'ষ্ট্ৰোপ'চাৰ ১২ৰ পৰা ১৮ মাহ বয়সৰ ভিতৰত সমাপন কৰা দৰকাৰ।

# ক্লাব ফুট বা ভৰিৰ সৰু গাঁঠিৰ বিকৃতি

ক্লাব ফুট বা ভৰিৰ সৰু গাঁঠিৰ বিকৃতি এটা জন্মগত বিসংগতি যাৰ বাবে ভৰি, ভৰিৰ সৰু গাঁঠি আৰু ভৰিৰ আঙুলি অস্বাভাৱিক ধৰণে বেকা হৈ থাকে।

**আপুনি লক্ষ্য কৰিব লাগিব :**

- ভৰিৰ আগফালটো ভিতৰৰ পিনে সোমাই যোৱা।
- ভৰিৰ আঙুলিবোৰ তলৰ পিনে দোঁ খোৱা।
- শিশুটোৱে ভৰিৰ বাহিৰৰ ফালটোত ভৰ দি থিয় দিয়ে।
- ভৰিৰ চলাচলত জঠৰতা; যেনে ভৰিৰ আগফালটো আগৰ পিনে গতি কৰিব নোৱৰা।
- কটকটীয়া টান গোৱোহা।
- ভৰিৰ তলুৱা ইখনে সিখনৰ পিনে মুখ কৰি থকা।

**যদি তেনেকুৱা কোনো বিসংগতি ধৰা পাৰে তেন্তে :**

- নিকটবৰ্তী জিলা চিকিৎসালয়/ৰেফাৰেল কেন্দ্ৰলৈ পঠিয়াই দিয়ক।



ক্লাব ফুট



## মূল বাৰ্তা

- শিশুটিৰ বিকাশৰ বাবে প্ৰাৰম্ভিক অৱস্থাতে চিনাক্তকৰণ আৰু চিকিৎসা কৰাটো অতি গুৰুত্বপূৰ্ণ ।
- যদি প্ৰাৰম্ভিক অৱস্থাতে ভাল কৰা নহয়, এই বিসংগতিয়ে আজীৱন পংগুত্বৰ সৃষ্টি কৰিব পাৰে।
- অবিৰত প্লাষ্টাৰ (৫-৬ টা বিভিন্ন সাঁচত) ব্যৱহাৰ কৰি জন্মৰ সময়ৰ পৰাই চিকিৎসা আৰম্ভ কৰিব লাগে।
- মাতৃগৰাকীয়ে শিশুটোৰ ভৰিৰ তলুৱা খনক মজিয়াৰ পিনে টানি বিসংগতি ঠিক কৰিবলৈ চেষ্টা কৰা অনুচিত।

# জন্মগত চকুত ছানি পৰা ৰোগ

সাধাৰণতে চকুৰ তিনিটা গোলাকৃতি অংশ থাকে - একেবাৰে ভিতৰৰ গোলাকৃতি অংশটোৰ বৰণ কলা, তাৰ ওপৰটোৰ বৰণ মুগা বা সেউজীয়া, আৰু একেবাৰে বাহিৰৰ ভাগটো বগা।

জন্মগত চকুত ছানি পৰা ৰোগ হৈছে জন্মৰে পৰা চকুৰ লেন্স (একেবাৰে ভিতৰৰ অংশ)ত হোৱা ঘোলা বৰণৰ বিসংগতি।



**আপুনি লক্ষ্য কৰিব লাগিব :**

- চকুৰ ভিতৰৰ অংশটো কলাৰ পৰিবৰ্তে ধূসৰ বা বগা বৰণৰ হোৱা।
- হঠাৎ পোহৰ পৰিলেও চকুটো জাপ নোখোৱা।
- শিশুটোৱে ধৰি থকা মানুহজনৰ মুখৰ পিনে পোনে পোনে নাচায় (মাকৰ লগত চকুৰ চাৱনি বিনিময় নকৰে)।

**যদি তেনেকুৱা কোনো বিসংগতি ধৰা পাৰে তেন্তে :**

- নিকটবৰ্তী জিলা চিকিৎসালয়/ৰেফাৰেল কেন্দ্ৰলৈ পঠিয়াই দিয়ক।

## মূল বাৰ্তা

- এইক্ষেত্ৰত শিশুটোক তাৎক্ষণিক ভাৱে ৰেফাৰ কৰাৰ প্ৰয়োজন, অন্যথা শিশুটো চিৰদিনৰ বাবে অন্ধতাত ভুগিব।
- যদি চিকিৎসাৰ ব্যৱস্থা কৰা নহয়, তেন্তে অন্ধতাই শিশুটোৰ শিকাৰ সামৰ্থ্যতো প্ৰভাৱ পেলাব।

# জন্মগত বধিৰতা

জন্মগত বধিৰতা হৈছে জন্মৰে পৰা শ্ৰৱণ শক্তি হেৰুওৱা এটি অৱস্থা।



**আপুনি চাব লাগিব :**

- পৰিয়ালত আগৰে পৰা কাৰোবাৰ বধিৰতা থকা, নৱজাতক অৱস্থাতে জণ্ডিছ হৈছিল নেকি যাৰ বাবে শিশুটোক চিকিৎসাৰ প্ৰয়োজন হৈছিল, তেনে ক্ষেত্ৰত শিশুটোক চিকিৎসা কেন্দ্ৰলৈ পঠিয়াই দিয়ক।
- ডাঙৰ তথা বিকট শব্দতো শিশুটো জিকাৰ খাই নুঠা/নকন্দা/চকুৰ পিৰিকিতি নলৰোৱা।
- ডাঙৰ তথা বিকট শব্দতো শিশুটো সাৰ পাই নুঠা বা নকন্দা।
- কথা কৈ থাকিলেও শিশুটোৱে কথা কোৱা বন্ধ নকৰা।
- কাণৰ বহিৰ্ভাগৰ কোনো বিকৃতি তথা অসম্পূৰ্ণতা।

**যদি এনে কোনো লক্ষণ থকা দেখা পোৱা যায় :**

- নিকটবৰ্তী জিলা চিকিৎসালয়/ৰেফাৰেল কেন্দ্ৰলৈ পঠিয়াই দিয়ক।

## মূল বাৰ্তা

- জিলা চিকিৎসালয়ত শিশুটোক কাণৰ পৰীক্ষাৰ বাবে লৈ যাব লাগে।
- শ্ৰৱণ শক্তি হেৰুওৱাৰ ক্ষেত্ৰত প্ৰাৰম্ভিক অৱস্থাতে ব্যৱস্থা গ্ৰহণ কৰাটো অতি গুৰুত্বপূৰ্ণ, কাৰণ ইয়ে ভাষাৰ বিকাশতো প্ৰভাৱ পেলায়।
- অতি ডাঙৰ শব্দৰ পৰা দূৰত ৰাখিব লাগে।
- বধিৰতাত ভোগা সৰু ল'ৰা-ছোৱালীবোৰক পৰিয়ালৰ অন্য সদস্য সকলৰ লগত সংকেতেতে কথা কোৱাৰ অভ্যাস কৰাব লাগে।
- শ্ৰৱণ যন্ত্ৰ, যেনে শ্ৰৱণ-শক্তি বৃদ্ধি কৰা ইলেকট্ৰ'নিক যন্ত্ৰ আৰু বাক-চিকিৎসাই শ্ৰৱণ শক্তি বৃদ্ধি কৰাত সহায় কৰে।



NATIONAL HEALTH MISSION

राष्ट्रीय स्वास्थ्य मिशन

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়

অসম চৰকাৰ

TOP Printers | Guwahati - 6